BIKALI COLLEGE LIBRARY



# 2023

## ASSAMESE

## ( Honours Core )

## Paper : ASM–HC–6016

## ( অসমীয়া চুটিগল্প আৰু উপন্যাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ জনক কোন ?

(খ) 'ময়না' গল্পসংকলনখনৰ গল্পকাৰজনৰ নাম কি ?

(গ) 'সুধৰ্মাৰ উপাখ্যান'ৰ ৰচয়িতা কোন ?

(ঘ) 'জীৱনৰ বাটত' উপন্যাসখনৰ ঔপন্যাসিকজনৰ নাম লিখা।

(ঙ) হোমেন বৰগোহাঞি ৰচিত এখন উপন্যাসৰ নাম লিখা।

BIKALI COLLEGE LIBRARY



(চ) "তই সাৱধানে থাকিবি। মই আহিলোঁ।" এই কথাষাৰ মালতীক কোনে কৈছিল?

(ছ) লক্ষ্মীধৰ শৰ্মাই 'নীনা' গল্পটোৰ কাহিনী কোনটো পুৰুষত বৰ্ণনা কৰিছে?

(জ) 'ৰবদেউতা' গল্পৰ এটা চৰিত্ৰ ৰাজেশ্বৰী। ৰাজেশ্বৰীৰ গিৰিয়েকৰ নাম কি?

(ঝ) মামণি ৰয়ছম গোস্বামীয়ে বৃন্দাবনৰ পটভূমিত লিখা উপন্যাসখনৰ নাম কি?

(ঞ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ প্ৰথম বাক্যটো কি?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া চুটিগল্পৰ বিকাশত বিশেষ অৰিহণা যোগোৱা 'আৱাহন' কাকতত প্ৰকাশিত দুটা গল্পৰ নাম লিখা।

(খ) সৌৰভ চলিহাৰ দুখন গল্পসংকলনৰ নাম লিখা।

(গ) স্নেহ দেৱীৰ গল্পৰ দুটা বৈশিষ্ট্য লিখা।

(ঘ) "মক হাতত ধৰি তুমি উবিয়াম কাঠৰ বাকচটোৰ পেৰে উলিয়াই নিয়া।" এই কথাষাৰ কোনে, কাক মনত পেলাই কৈছিল?

(ঙ) "কোনোবা মানুহ ভাল বা বেয়া হোৱাৰ কোনো ধৰা বন্ধা নিয়ম নাই। মানুহ অৱস্থাৰ দাস বুলি কথা এষাৰ আছে।" কথাষাৰ কোনে, কাক কৈছিল?

BIKALI COLLEGE LIBRARY



৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পৰ বিশেষত্ববোৰ লিখা।

(খ) 'নীনা' গল্পত থকা বৰবিলৰ পাৰৰ সৌন্দৰ্যৰ বিৱৰণ দিয়া।

(গ) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ বিষয়বস্তুৰ বৈচিত্ৰ্য সম্পৰ্কে এটি চমু টোকা লিখা।

(ঘ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ ইন্দ্ৰনাথ চৰিত্ৰটোৰ বিষয়ে লিখা।

(ঙ) 'চাহ জনজাতি'ৰ জীৱনৰ আধাৰত ৰচিত অসমীয়া উপন্যাসৰ বিষয়ে লিখা।

(চ) ইলিমন কোন? তাইৰ বিষয়ে সমাজত কেনেধৰণৰ বু-বু বা-বা চলিছিল?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া চুটিগল্পৰ ধাৰা সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) "আমাৰ ঘৰৰ অৱস্থা দেখি মই সহ্য কৰিব নোৱাৰি লাজ মান কাটি কৰি থৈ মানুহ এঘৰত সহায় বিচাৰি গৈছিল। সেইখন ঘৰ আমাৰ ইয়াৰ সমাজৰ মূধাফুটা; তেওঁলোকে সমাজৰ নৈতিকতা দিনে বাতিয়ে পহৰা দি থাকে।" মায়াই বৰদেউতাকক কোৱা এই কথাকেইটাৰ মাজত পহৰাদাৰসকলৰ প্ৰতি এক তীব্ৰ শ্লেষ আছে। এই শ্লেষৰ কাৰণসমূহ 'বৰদেউতা' গল্পৰ পটভূমিত বিশ্লেষণ কৰা।

BIKALI COLLEGE LIBRARY



(গ) আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যবোৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) চৈয়দ আব্দুল মালিকৰ উপন্যাসত "ঘটনাৰ বৈচিত্ৰ্য আছে; গাঁৱলীয়া-নগৰীয়া, শিক্ষিত-অশিক্ষিত, সৎ-অসৎ, উচ্চ-নিম্ন বিবিধ চৰিত্ৰৰ আৰু নানা পৰিস্থিতিৰ ইয়াত সমাৱেশ ঘটিছে।" এই মন্তব্যটিৰ যথাৰ্থতা বিচাৰ কৰা।

(ঙ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটিত সৰ্বসাধাৰণ মানুহৰ তথৈৱচ অৱস্থাৰ যি বিৱৰণ আছে তাৰ আভাস দিয়া।

(চ) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ গদ্যশৈলীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ছ) অসমীয়া উপন্যাসৰ জন্ম আৰু ইয়াৰ বিকাশ সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(জ) চুটিগল্পৰ আৰু উপন্যাসৰ সংজ্ঞা দাঙি ধৰি এই দুবিধ সাহিত্যৰ সম্বন্ধ বিচাৰ কৰা।

★★★